জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭২/২০২০

# বিশিষ্ট সাংবাদিক মোজাহিদুল হকৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২১ মে'ঃ** বিশিষ্ট সাংবাদিক মোজাহিদুল হকৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত হকে অসমৰ সংবাদ জগতলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী সম্পাদক হিচাপেও সংবাদ ক্ষেত্ৰলৈ সেৱা আগবঢ়োৱা প্ৰয়াত হকে ৰাজ্যখনৰ সামাজিক আৰু সাহিত্য জগতৰ লগতো জড়িত হৈ যথেষ্ট বৰঙনি আগবঢ়াই গৈছে। তেখেতৰ বিয়োগ ৰাজ্যখনৰ সংবাদ তথা সামাজিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত মোজাহিদুল হকৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

প্ৰঃকুঃবঃ
২১/৫/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in